জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫৪/২০২১

<u>মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ অৰ্থে গ্ৰহণ কৰা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ কৃতজ্ঞতা জ্ঞাপন নাহৰকটীয়া সমষ্টিৰ ২০০০ গৰাকী মহিলাৰ</u>

# মুখ্যমন্ত্ৰীক উপহাৰ হিচাপে প্ৰদান ২০০০ খন হাতেবোৱা গামোচা

**দিছপুৰ, ৬ জুলাই ঃ** নাহৰকটীয়া সমষ্টিৰ ২০০০ গৰাকী মহিলাৰ এটি প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ জনতা ভৱনস্থিত কাৰ্যালয় কক্ষত সাক্ষাৎ কৰি প্ৰকৃত ঋণগ্ৰস্তক অগ্ৰাধিকাৰ দি মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ অৰ্থে তেওঁ গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ বাবে কৃতজ্ঞতাৰ চিনস্বৰূপে ২০০০ খন হাতেবোৱা গামোচা প্ৰদান কৰে। প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীৰ হাতত এখন অভিনন্দন পত্ৰও প্ৰদান কৰে।

নাহৰকটীয়া সমষ্টিৰ মহিলাসকলৰ এই উপহাৰ আন্তৰিকতাৰে গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ বিষয়টো ৰাজ্য চৰকাৰে প্ৰথমৰে পৰা গুৰুত্বসহকাৰে লৈ আহিছে। এইক্ষেত্ৰত চৰকাৰখনে গ্ৰহণ কৰা সিদ্ধান্তই ঋণগ্ৰস্ত দৰিদ্ৰ মহিলাসকলক যথেষ্ট সকাহ প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ এই সাক্ষাতৰ সময়ত নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈও উপস্থিত আছিল।

**নিঃকুঃদাঃ**
**০৬-০৭-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in